**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :19-01-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## ***Headlines***

১। ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামৰ সন্মিলনত অংশ লোৱাৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ছুইজাৰলেণ্ডলৈ ৰাওনা।

২। গুৱাহাটীত প্ৰধানমন্ত্ৰীৰ উপস্থিতিত অনুষ্ঠিত বাগৰুম্বা দহৌ কাৰ্যসূচীৰ সন্দৰ্ভত সামাজিক মাধ্যমত ইতিবাচক প্ৰচাৰ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক মুখ্যমন্ত্ৰীৰ ধন্যবাদ জ্ঞাপন।

৩। জুবিন গাৰ্গ সন্দৰ্ভত আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত শিখা শৰ্মা নামৰ মহিলাগৰাকীৰ বিৰুদ্ধে গৰিমা শইকীয়া গাৰ্গৰ এজাহাৰ দাখিল।

আৰু

৪। সংগীত নাটক একাডেমী বঁটাপ্ৰাপক বিশিষ্ট বেহেলাবাদক মিনতি খাউণ্ডৰ আজি দিনৰ আঢ়ৈ বজাত নৱগ্ৰহ শ্মশানত শেষকৃত্য।

০০০০০০০

ছুইজাৰলেণ্ডৰ ডাভ'ছত আজিৰে পৰা অহা ২৩ জানুৱাৰীলৈ অনুষ্ঠিত ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামৰ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা দেশখনলৈ ইতিমধ্যে ৰাওনা হৈছে। অসমৰ প্ৰতিনিধি হিচাপে মুখ্যমন্ত্ৰী ড০ শৰ্মাই অংশগ্ৰহণৰ সুযোগ লাভ কৰাটো তাৎপৰ্যপূৰ্ণ হিচাপে বিবেচিত হৈছে।

এই সন্মিলনত ভাৰতৰ কেইবাখনো আগশাৰীৰ ৰাজ্যৰ প্ৰতিনিধিয়েও অংশগ্ৰহণ কৰিব। ডাভ'ছত বিশ্বৰ উদ্যোগপতি, অৰ্থনীতিবিদ, বহুজাতিক কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়া, বিশ্ববেংক, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি, বিশ্ব বাণিজ্য সংস্থাৰ মুৰব্বীসকলৰ লগত ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামত অসমক প্ৰতিনিধিত্ব কৰা মুখ্যমন্ত্ৰী ড০ শৰ্মা হ'ব প্ৰথমগৰাকী অসমীয়া। মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই ফ'ৰামত অংশগ্ৰহণৰ জৰিয়তে অসমে আৰ্থিক ক্ষেত্ৰত অংশীদাৰিত্ব শক্তিশালী কৰা, বিনিয়োগ আকৰ্ষণ কৰা, স্থায়ী উন্নয়ন আৰু প্ৰযুক্তিগত উদ্ভাৱনত অসমক আগশাৰীলৈ লৈ যোৱাৰ দিশত পদক্ষেপ ল'ব। তেওঁ এই ফ'ৰামত ১৭ খনতকৈও অধিক বৈঠকত অংশ লোৱাৰ লগতে বহুকেইখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰাৰ কথা। সন্মিলনৰ ৫৬ সংখ্যক এই বাৰ্ষিক বৈঠকত বিশ্বৰ ৩ হাজাৰৰো অধিক নেতাই অংশগ্ৰহণ কৰাৰ কথা আছে। ৫ দিনীয়া এই সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে ভাৰতৰ বিভিন্ন কোম্পানীৰ ১০০ গৰাকীৰো অধিক মুখ্য কাৰ্যবাহী বিষয়া তথা চৰকাৰী প্ৰতিনিধিৰ এটা বৃহৎ দলে ইতিমধ্যে ছুইজাৰলেণ্ডত বাহৰ পাতিছে। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱ, প্ৰহ্লাদ যোশী, কে ৰাম মোহন নাইডু এই সন্মিলনত উপস্থিত থকাৰ লগতে দ্বিপাক্ষিক বৈঠকতো উপস্থিত থকাৰ সম্ভাৱনা আছে। অসমকে ধৰি মহাৰাষ্ট্ৰ, অন্ধ্ৰপ্ৰদেশ, মধ্যপ্ৰদেশ আৰু ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰীকেইগৰাকীয়ে নিজ নিজ ৰাজ্যত বিনিয়োগ কৰাৰ বাবে বিনিয়োগকাৰীসকলক আকৰ্ষণৰ চেষ্টা কৰিব।

০০০০০০০০

গুৱাহাটীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত অনুষ্ঠিত বাগৰুম্বা দহৌ কাৰ্যসূচী সম্প্ৰতি সামাজিক মাধ্যমযোগে বহুল প্ৰচাৰ হোৱা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে বাগৰুম্বা নৃত্যৰ দৃশ্য প্ৰচাৰ কৰাৰ ফলত অসমৰ বাগৰুম্বা বিশ্বৰ মাজলৈ যোৱাটো সম্ভৱ হোৱা বুলিও তেওঁ কয়।–

বাইট- (চি এম)

উল্লেখযোগ্য যে, ৰাজ্য চৰকাৰে আৰক্ষী কনিষ্টবল পদৰ আবেদনৰ বাবে প্ৰাৰ্থীৰ বয়সৰ উচ্চ সীমা বৰ্তমানৰ ২৫ বছৰৰ পৰা ২৬ বছৰলৈ বৃদ্ধি কৰিছে। মুখ্যমন্ত্ৰী ডং শৰ্মাই কালি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰাৰ লগতে আবেদনৰ সময়সীমাও ১৫ দিন বৃদ্ধি কৰা হৈছে বুলি প্ৰকাশ কৰিছে। একেদৰে এ ডি আৰ ইৰ জৰিয়তে চাকৰিত যোগদান কৰা সকলকে ধৰি ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ পাৰস্পৰিক বদলি আবেদনৰ বাবে স্বাগত সতীৰ্থ প'ৰ্টেলটো অহা মাহত পুনৰ মুকলি কৰা হ'ব বুলি তেওঁ সদৰি কৰিছে। এ ডি আৰ ইৰ বাবে আবেদন কৰা দিব্যাংগ প্ৰাৰ্থীসকলে বিচৰাধৰণে পূৰ্বে মেডিকেল পৰীক্ষাত অনুত্তীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ কাৰণে দ্বিতীয়বাৰৰ বাবে মেডিকেল পৰীক্ষাৰ ব্যৱস্থা কৰা হ'ব বুলিও তেওঁ কয়। অপ্ৰাদেশিকীকৃত বিদ্যালয়ৰ শিক্ষকৰ আবেদনৰ প'ৰ্টেলটো শীঘ্ৰে মুকলি কৰিবলৈ তেওঁ শিক্ষা বিভাগক নিৰ্দেশ দিয়ে বুলি প্ৰকাশ কৰিছে।

০০০০০০০

ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সভাপতিৰ নিৰ্বাচনৰ বাবে মনোনয়নসমূহ আজি দাখিল কৰা হ'ব। দলটোৰ ৰাষ্ট্ৰীয় ৰিটাৰ্ণিং বিষয়া কে. লক্ষ্মণে প্ৰকাশ কৰা নিৰ্বাচনসূচী অনুসৰি, আজি দিনৰ ২ বজাৰ পৰা ৪ বজাৰ ভিতৰত মনোনয়ন পত্ৰসমূহ দাখিল কৰিব পৰা যাব। নতুন দিল্লীত থকা দলৰ মুখ্য কাৰ্যালয়ত সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়া পৰিচালিত হ'ব। মনোনয়ন পত্ৰসমূহ বিয়লি ৪ বজাৰ পৰা পৰীক্ষা কৰা হ'ব। সন্ধিয়া ৬ বজা পৰ্যন্ত প্ৰাৰ্থীসকলে মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। মনোনয়ন প্ৰক্ৰিয়াৰ অন্তত প্ৰয়োজনত কাইলৈ নিৰ্বাচন অনুষ্ঠিত হ'ব। কাইলৈয়ে বিজেপিৰ নতুন ৰাষ্ট্ৰীয় সভাপতিৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰা হ'ব। সম্প্ৰতি কেন্দ্ৰীয় মন্ত্ৰী জগতপ্ৰকাশ নাড্ডাই বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। শ্ৰীনাড্ডাক ২০১৯ চনত দলটোৰ কাৰ্যকৰী সভাপতি হিচাপে নিয়োজিত কৰা হৈছিল আৰু ২০২০ চনৰ জানুৱাৰীত তেওঁক ৰাষ্ট্ৰীয় সভাপতি অমিত শ্বাহৰ স্থলাভিষিক্ত কৰা হৈছিল।

০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গ সন্দৰ্ভত আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত শিখা শৰ্মা নামৰ মহিলাগৰাকীৰ বিৰুদ্ধে শিল্পীগৰাকীৰ পত্নী গৰিমা শইকীয়া গাৰ্গে পাণবজাৰ থানাত এজাহাৰ দাখিল কৰিছে। শিখা শৰ্মা নামৰ মহিলাগৰাকীয়ে দীৰ্ঘ দিন ধৰি জুবিন গাৰ্গ সন্দৰ্ভত সামাজিক মাধ্যমত আপত্তিজনক কথা লিখি আহিছিল। ইপিনে হোজাই জিলাৰ লংকা হাইস্কুলৰ মহা ৰজত জয়ন্তীৰ কালি সামৰণি অনুষ্ঠানত বিশিষ্ট শিল্পী তৰালী শৰ্মাই অংশ লৈ জুবিন গাৰ্গ অসমীয়া জাতিৰ বাবে সম্পদ বুলি মন্তব্য কৰাৰ লগতে তেওঁৰ মৃত্যুৰ ঘটনাৰ ন্যায় বিচাৰে। তেওঁ লগতে ন্যায় প্ৰক্ৰিয়াৰ ওপৰত আস্থা আছে বুলিও প্ৰকাশ কৰে।

বাইট

০০০০০০০০

প্ৰধানমন্ত্ৰীৰ **পৰীক্ষা পে চৰ্চা** শীৰ্ষক কাৰ্যসূচীৰ বাবে নলবাৰী জিলাৰ বৰক্ষেত্ৰী আদৰ্শ বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ছাত্ৰ মৃদুমলয় বৰ্মনক নিৰ্বাচিত কৰা হৈছে। তেওঁ প্ৰধানমন্ত্ৰীৰ সৈতে প্ৰত্যক্ষভাৱে প্ৰশ্নোত্তৰ শিতানত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিব। ছাত্ৰগৰাকীয়ে এই কাৰ্যসূচীত ভাগ লোৱাৰ উদ্দেশ্যে আজি নতুন দিল্লীলৈ ৰাওনা হ'ব। উল্লেখযোগ্য যে, মৃদুমলয় বৰ্মনে ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় স্তৰৰ তিনিটা ভিন্ন পৰ্যায় অতিক্ৰম কৰি এই কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিছে। তেওঁ এই কাৰ্যসূচীত অংশগ্ৰহণৰ সুযোগ পোৱা অসমৰ একমাত্ৰ ছাত্ৰ হিচাপে নিৰ্বাচিত হৈছে।

০০০০০০০০

সংগীত নাটক একাডেমী বঁটাপ্ৰাপক বিশিষ্ট বেহেলাবাদক মিনতি খাউণ্ডৰ আজি দিনৰ আঢ়ৈ বজাত নৱগ্ৰহ শ্মশানত শেষকৃত্য সম্পন্ন কৰা হ'ব।  যশস্বী শিল্পী খাউণ্ডৰ মৃত্যুত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ কয়, যে ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বেহেলা বাদনেৰে অসমক প্ৰতিনিধিত্ব কৰি শিল্পীগৰাকীয়ে ৰাজ্যখনলৈ সুনাম কঢ়িয়াই আনিছিল। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে কালি সন্ধিয়া গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত বাৰ্ধক্যজনিত কাৰণত শিল্পীগৰাকীৰ দেহাৱসান ঘটে। ১৯৪০ চনত জন্মলাভ কৰা যশস্বী শিল্পীগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮৫ বছৰ। আকাশবাণীৰ বি-হাই গ্ৰেড শিল্পী মিনতি খাউণ্ড শাস্ত্ৰীয় সংগীতৰ অন্যতম গুৰুৰূপে সমগ্ৰ দেশতে পৰিচিত আছিল। মৃত্যুৰ সময়ত তেওঁ পুত্ৰ অসম লোকসেৱা আয়োগৰ সদস্য পৱিত্ৰ ৰাম খাউণ্ড আৰু কন্যা বিশিষ্ট বেহেলাবাদক সুনীতা খাউণ্ড ভূঞাক এৰি থৈ যায়।

০০০০০০০০

অসম ক্ৰিকেট সন্থাৰ উদ্যোগত আৰু নাহৰকটীয়া ক্ৰিকেট সন্থাৰ সহযোগত আজিৰ পৰা ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াত অৱস্থিত অসম ক্ৰিকেট সন্থাৰ খেলপথাৰত অষ্টম বাৰ্ষিক আছাম প্ৰিমিয়াম ক্লাব চেম্পিয়নশ্বিপ আৰম্ভ হৈছে। আজি দুলীয়াজান কলেজ ক্ৰিকেট ক্লাব আৰু নামৰূপ ক্ৰিকেট একাডেমীৰ মাজত অনুষ্ঠিত উদ্বোধনী খেলখন বিধায়ক তথা অসম ক্ৰিকেট সন্থাৰ সভাপতি তৰংগ গগৈয়ে উদ্বোধন কৰে। বিধায়কগৰাকীয়ে প্ৰতিযোগিতাৰ পতাকা উত্তোলন কৰাৰ লগতে দুয়ো দলৰ খেলুৱৈসকলক শুভেচ্ছা জ্ঞাপন কৰে। এই ধৰণৰ প্ৰতিযোগিতাসমূহে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা ন ন ক্ৰিকেট খেলৰ প্ৰতিভা সৃষ্টি কৰাত সহায়ক হ'ব বুলিও উদ্বোধনী অনুষ্ঠানত বিধায়ক শ্ৰীগগৈয়ে উল্লেখ কৰে।

০০০০০০০০

যোৰহাট বালিচাপৰিস্থিত দীঘলীসত্ৰৰ সত্ৰাধিকাৰ হেমচন্দ্ৰ মহন্তৰ কালি হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭২ বছৰ। সত্ৰাধিকাৰগৰাকীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে।

০০০০০০০০

মাজুলীৰ আউনীআটী সত্ৰৰ মণিকাঞ্চন ৰংগমঞ্চত কালিৰে পৰা সদৌ অসম ভাওনা সমাৰোহ অনুষ্ঠিত হৈছে। ১১ দিনীয়াকৈ আয়োজন কৰা এই ভাওনা সমাৰোহ অহা ২৮ জানুৱাৰীত অন্ত পৰিব। এইবাৰ সমাৰোহত

ৰাজ্যৰ ভিন্ন প্ৰান্তৰ ২০ খন নিৰ্বাচিত প্ৰতিযোগিতামূলক আৰু ৩ খন প্ৰদৰ্শনীমূলক ভাওনা প্ৰদৰ্শনৰ আয়োজন কৰা হৈছে। প্ৰভাতী কীৰ্তনৰ পাছতেই উদযাপন সমিতিৰ সভাপতি তথা সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীয়ে ধৰ্মধবজ্জা উত্তোলন কৰে। ইয়াৰ পাছত ক্ৰমে মণিকূটৰ দ্বাৰ উন্মোচন আৰু জুবিন গাৰ্গ প্ৰদৰ্শনী ক্ষেত্ৰ উদ্বোধন কৰা হয়। মাজুলীৰ লগতে ৰাজ্যৰ বিভিন্ন জিলাৰ পৰা অহা ৫০০ গৰাকী সূত্ৰধাৰৰ নৃত্য পৰিৱেশনেৰে ভাওনা সমাৰোহৰ শুভাৰম্ভ হয়। বিয়লি প্ৰতিযোগিতাৰ প্ৰথম দৰ্শনীত **জন্মেজয়ৰ সৰ্পমেধ যজ্ঞ, কলিৰ পৰাভৱ** প্ৰদৰ্শন কৰা হয়। নিশাৰ দ্বিতীয় দৰ্শনীত **শ্ৰোতাশ্ৰবানন্দৰ ৰোহণ** শীৰ্ষক আন এখনি ভাওনা প্ৰদৰ্শন কৰা হয়। কালিৰ অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী, বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু কৃষিমন্ত্ৰী অতুল বৰাকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

oooooooo

দুলীয়াজানত ৰাষ্ট্ৰীয় গ্ৰন্থমেলাৰ সপ্তদশ সংস্কৰণ কালি আৰম্ভ হৈছে। অহা ২৪ জানুৱাৰীলৈ হ'বলগীয়া এই গ্ৰন্থমেলা দুলীয়াজান সাহিত্য সভাৰ সভাপতি তথা গ্ৰন্থমেলা পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি ড০ অজিত শইকীয়াই পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰে। উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ মুকুল চন্দ্ৰ বৰাই গ্ৰন্থমেলাৰ দ্বাৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। গ্ৰন্থ উন্মোচনী অনুষ্ঠানত অণু শইকীয়াৰ শিশু গ্ৰন্থ **আইতাৰ একুঁকি সাধু,** ৰীণা বিশ্বাসৰ গল্প সংকলন **গল্পৰ মূৰৰ কথা** উন্মোচন কৰা হয়।

oooooooo

লংকাৰ অগ্ৰণী শিক্ষানুষ্ঠান পি এম শ্ৰী লংকা হাইস্কুলৰ মহাৰজত জয়ন্তী সমাৰোহৰ কালি সামৰণি পৰে। তিনিদিনীয়া বৰ্ণিল কাৰ্যসূচীৰে অনুষ্ঠিত এই সমাৰোহৰ কালি সামৰণি দিনা পুৱা বিদ্যালয় প্ৰাংগণৰ পৰা এটা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। শিক্ষাৰ্থী, শিক্ষক, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লগতে অঞ্চলটোৰ জনসাধাৰণে এই শোভাযাত্ৰাত অংশগ্ৰহণ কৰে। বিয়লিৰ ভাগত জনগোষ্ঠীয় সাংস্কৃতিক অনুষ্ঠান অনুস্থিত হয়। সন্ধিয়া মুকলি সভা আৰু নিশা সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। সাংস্কৃতিক কাৰ্যসূচীত জনপ্ৰিয় কণ্ঠশিল্পী তৰালী শৰ্মাই সংগীত পৰিবেশন কৰে।

ooooooooo

**সমাপ্ত**